# **REGIONAL NEWS UNIT**

AKASHVANI, GUWAHATI

0000000000

**Date : 19-12-2025** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

----------------------------

## ***Headlines***

১। দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম আগমন।

২। বাংলাদেশৰ ঢাকাৰ ভাৰতীয় ভিজা আবেদন কেন্দ্ৰ অস্থায়ীভাৱে বন্ধ হৈ থকাৰ পাছত পুনৰ মুকলি।

৩। মাঘ বিহুৰ সময়ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত সমূহীয়া মাছধৰাত নিষেধাজ্ঞা বলৱৎ কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ।

আৰু

৪। আহমেদাবাদত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেল।

০০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ অসমলৈ আহিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈ গুৱাহাটীত অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব। তেওঁ লগতে বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নৱনিৰ্মিত টাৰ্মিনেল উদ্বোধন কৰিব। এই টাৰ্মিনেলৰ উদ্বোধনে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ আন্তঃগাঁথনিৰ উপৰি যোগাযোগ ব্যৱস্থা, উদ্যোগ-বাণিজ্য আৰু পৰ্যটনকে ধৰি সৰ্বাংগীন উন্নয়ন ত্বৰান্বিত কৰিব বুলি আশা কৰা হৈছে। শ্ৰী মোদীয়ে ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত দলৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ সন্মানাৰ্থে দলীয় কৰ্মকৰ্তাসকলে ৰোড শ্ব'ৰ আয়োজন কৰিছে।

শ্ৰী মোদীয়ে পৰহিলৈ গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ কেইবাগৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** অৰ্থাৎ পৰীক্ষা সম্পৰ্কীয় বিষয় লৈ আলোচনা কৰিব। ইয়াৰ পাছত তেওঁ অসম আন্দোলনৰ অমৰ ছহিদসকলৰ স্মৃতিত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মাণ কৰা ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰিব। তেওঁ লগতে ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত ২১ ডিচেম্বৰলৈ দৰ্শনাৰ্থীৰ বাবে ছহিদ স্মাৰক বন্ধ থাকিব বুলি গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে এখন জাননীযোগে প্ৰকাশ কৰিছে। তদুপৰি কাইলৈ আৰু পৰহিলৈ গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী তিনিটা ঘাটৰ ফেৰী সেৱা বন্ধ থাকিব।

শ্ৰীমোদী সেইদিনাই নামৰূপলৈ যাব আৰু তেওঁ নামৰূপ সাৰ কাৰখানাত নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে এখন জনসভাতো অংশ ল'ব। নামৰূপত ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্পোৰেচেন লিমিটেডৰ বৰ্তমানৰ চৌহদত ১০ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া চতুৰ্থটো সাৰ প্ৰকল্পই ৰাজ্যখনৰ অৰ্থনীতি শক্তিশালী কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণ সন্দৰ্ভত কালি বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনত এখন প্ৰস্তুতি সভা অনুষ্ঠিত হয়। সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া,

ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজুকে ধৰি অন্যান্য মন্ত্ৰী, বিধায়ক তথা দলীয় কৰ্মকৰ্তাসকল উপস্থিত থাকে। সভাত প্ৰধানমন্ত্ৰী মোদীৰ দুদিনীয়া ভ্ৰমণসূচীৰ সকলো কাৰ্যসূচী সাফল্যমণ্ডিত কৰাৰ উদ্দেশ্যে সকলো দিশ সামৰি আলোচনা কৰা হয়।

০০০০০০০

বাংলাদেশৰ ঢাকাৰ ভাৰতীয় ভিজা আবেদন কেন্দ্ৰ আই ভি এ চি অস্থায়ীভাৱে বন্ধ হৈ থকাৰ পাছত পুনৰ মুকলি কৰা হৈছে। বাংলাদেশৰ বিভিন্ন প্ৰান্তত ভাৰত বিৰোধী প্ৰদৰ্শনৰ পৰিপ্ৰেক্ষিতত খুলনা আৰু ৰাজশ্বাহীত থকা ভিজা আবেদন কেন্দ্ৰ বন্ধ কৰি থোৱা হৈছিল। অৱশ্যে কেন্দ্ৰৰ ৱেবছাইটত প্ৰকাশ কৰা অনুসৰি সদ্যহতে স্বাভাৱিক সময়তকৈ পূৰ্বে দৈনিক কেন্দ্ৰটোৰ কাম-কাজ বন্ধ কৰা হ'ব।

ভাৰত-বাংলাদেশৰ দ্বিপাক্ষিক সম্পৰ্কৰ ক্ষেত্ৰত শেহতীয়াকৈ সৃষ্টি হোৱা উদ্বেগৰ পৰিপ্ৰেক্ষিতত অসমৰো বাংলাদেশ সীমান্তৱৰ্তী অঞ্চলসমূহত বিশেষ সতৰ্কতা জাৰি কৰা হৈছে। প্ৰতিবেশী ৰাষ্ট্ৰখনত শেহতীয়াকৈ মৌলবাদী শক্তিৰ উত্থানৰ ফলত দুয়োদেশৰ পাৰস্পৰিক সম্পৰ্কৰ কিছু অৱনতি ঘটিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে শেহতীয়াকৈ বাংলাদেশত এখন প্ৰতিবাদী সভাত দেশখনৰ অন্তৰৰ্তীকালীন চৰকাৰৰ ঘনিষ্ঠ এজন ৰাজনৈতিক নেতাই ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলক বিচ্ছিন্ন কৰাৰ ভাবুকি দিয়াৰ পাছতে দেশখনৰ উচ্চায়ুক্তক তলব কৰা হয়। মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে ভাৰতৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি সৃষ্টিকাৰী কেতবোৰ বিষয়ত বাংলাদেশৰ উচ্চায়ুক্তগৰাকীৰ দৃষ্টি আকৰ্ষণ কৰোৱা হয়। কেন্দ্ৰীয় চৰকাৰে বাংলাদেশত ভাৰত বিৰোধী কাৰ্যকলাপ নীৰৱ দৰ্শক হৈ সহ্য নকৰে বুলিও উচ্চায়ুক্তগৰাকীক স্পষ্ট কৰি দিয়ে।

০০০০০০০

মাঘ বিহুৰ সময়ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত সমূহীয়া মাছধৰাৰ বিষয়টো গুৰুত্বসহকাৰে বিবেচনা কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰ, সংশ্লিষ্ট বিভাগ আৰু উদ্যান কৰ্তৃপক্ষক অবৈধ মাছধৰা ৰোধ কৰাৰ বাবে আৱশ্যকীয় নিষেধাজ্ঞা বলৱৎ কৰিবলৈ নিৰ্দেশ দিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱচৌধুৰীক লৈ গঠিত এখন বিচাৰপীঠে এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি কালি এই নিৰ্দেশ প্ৰদান কৰে। ন্যায়ালয়ে লগতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত এনে ধৰণৰ কামকাজ নিয়ন্ত্ৰণ কৰাৰ বাবে লোৱা ব্যৱস্থাৰ বিষয়ে জনাবলৈ কয়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত জানুৱাৰীৰ প্ৰথম আৰু দ্বিতীয় সপ্তাহত মাছ ধৰা ৰোধ কৰাৰ বাবে লোৱা পদক্ষেপ সন্দৰ্ভত পৰৱৰ্তী শুনানিৰ সময়ত এখন শপতনামা দাখিল কৰিবলৈও ন্যায়ালয়ে নিৰ্দেশ দিয়ে।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অভিযোগনামা ৰাজহুৱা কৰাৰ অভিযোগত বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ বিৰুদ্ধে এছ আই টিয়ে গোচৰ ৰুজু কৰিছে। এছ আই টিয়ে যোৱা ১২ ডিচেম্বৰত আদালতত দাখিল কৰা গোচৰটোৰ অভিযোগনামাৰ প্ৰতিলিপি আইন বহিৰ্ভূত বিধায়কগৰাকীয়ে ৰাজহুৱা কৰাৰ অভিযোগত এছ আই টিৰ মুখ্য তদন্তকাৰী বিষয়া ড° ৰ'জী কলিতাই গুৱাহাটী আৰক্ষীৰ অপৰাধ শাখাত এজাহাৰ দাখিল কৰিছে। এই এজাহাৰৰ ভিত্তিত আৰক্ষীৰ অপৰাধ শাখাই এটা গোচৰ ৰুজু কৰিছে। বিধায়কগৰাকীৰ বিৰুদ্ধে আইন বহিঃভূতভাৱে অভিযোগনামাৰ ব্যৱহাৰ ভুল তথ্যৰে অভিযোগনামাৰ প্ৰচাৰ আৰু অপব্যাখ্যা কৰাৰ অভিযোগ উত্থাপন কৰা হৈছে। তদুপৰি বিধায়ক গগৈয়ে গোচৰটোৰ অভিযুক্তক ৰক্ষণাৱেক্ষণ দিয়াৰ চেষ্টা চলোৱাৰো অভিযোগ উত্থাপন হৈছে।

০০০০০০০

অসম আৰক্ষীয়ে যোৱা বছৰৰ ডিচেম্বৰৰ পৰা অন্য সুৰক্ষা সংস্থাৰ সহযোগত ভাৰত উপ-মহাদেশত অলকায়দাৰ সহযোগী আনছাৰুল বাংলা টীম নামৰ সন্ত্ৰাসবাদী সংগঠনটোৰ ১৪ জন সদস্যক গ্ৰেপ্তাৰ কৰিছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে। শেহতীয়া কেইটামান মাহত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত কেইবাগৰাকীও অবৈধ বাংলাদেশী নাগৰিকক আটক কৰা আৰু ১২ হাজাৰ ৩০০ কিলোগ্ৰাম পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰা বুলিও মন্ত্ৰ্যালয়ে জানিবলৈ দিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ বিষয়াই ভাৰত-বাংলাদেশ সম্বন্ধ ভৱিষ্যত সম্পৰ্কীয় বৈদেশিক পৰিক্ৰমা বিষয়ক সংসদীয় কমিটিক এই কথা অৱগত কৰে। বিষয়াসকলে প্ৰকাশ কৰা মতে শেহতীয়াকৈ বাংলাদেশৰ অভ্যন্তৰীণ সুৰক্ষা পৰিস্থিতি বেয়াৰপিনে ঢাল খোৱাৰ পৰিপ্ৰেক্ষিতত দেশখনৰ সৈতে থকা সীমান্ত অঞ্চলসমূহত সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰা জৰুৰী হৈ পৰিছে। তেওঁলোকে লগতে ভাৰত-বাংলাদেশ সীমান্তৰ মুঠ চাৰি হাজাৰ ৯৬ কিলোমিটাৰৰ ভিতৰত তিনি হাজাৰ ২৩২ কিলোমিটাৰৰ কাইটীয়া তাঁৰৰ বেৰ স্থাপন কৰা হৈছে বুলি জানিবলৈ দিয়ে।

০০০০০০০

ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ অস্বাভাৱিকভাৱে শুকাই যোৱাৰ পৰিপ্ৰেক্ষিতত মাজুলীৰ কমলাবাৰী ঘাটেৰে চৰকাৰী জাহাজৰ চলাচল বন্ধ কৰি দিয়া হৈছে। জলস্তৰ হ্ৰাস হোৱাৰ ফলত কেৱল ব্যক্তিগত ফেৰীসমূহেৰে পথ সলাই মূল কমলাবাৰী ফেৰী ঘাটলৈ এটা ইঞ্জিনযুক্ত ফেৰীৰ চলাচল হৈ আছিল যদিও যোৱা ৬ ডিচেম্বৰৰ পৰা আভ্যন্তৰীণ জল পৰিবহণ বিভাগে কমলাবাৰীৰ পাৰঘাটটো মাজুলীৰ দৰবাৰ আৰু কুমলীয়া চাপৰিৰ মাজ অংশলৈ স্থানান্তৰিত কৰে। এই সংক্ৰান্তত আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ এগৰাকী কৰ্মচাৰীয়ে এইদৰে কয় –

বাইট

০০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত কাৰ্বি আংলং জিলাৰ চামেলাংচ' উন্নয়ন খণ্ডত ৰূপায়িত আঁচনি সন্দৰ্ভত খণ্ড উন্নয়ন বিষয়া জোনালী নাথৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ কাৰ্বি আংলং জিলাৰ সংবাদদাতা কাংবুৰা ছিংনাৰ। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰত সম্প্ৰতি শৃংখলাত ২-১ ফলাফলত আগবাঢ়ি আছে।

০০০০০০০

**সমাপ্ত**